# দিখৌমুখ মহাবিদ্যালয়ৰ

# কোৰাচ

## কথা:ড. জ্যো্তিময়ী ভট্টাচাৰ্য

সুৰ: দামোদৰ দত্ত

প্ৰজ্ঞা জাগিছে

মণিষা জাগিছে

জ্ঞানৰ মুকুট ফুটিছে আজি

মগলৌ পাৰৰ জ্ঞানৰ দেউলত

সাধনাৰ বীন উঠিছে বাজি ।

বাৰে বৰণীয়া, নানা ৰহনীয়া

জাতি–জনজাতি মনোহৰা

আজানৰ ধ্বনি ঘোষাৰ সুৰেৰে

দিখৌ দুপাৰ সুৰভি ভৰা

বীৰ চিলাৰায়ৰ বিজয় পতাকা

অদূৰত সৌৱা উৰিছে

প্ৰীতিৰ এনাজৰী মগ্ লৌ কুঁৱৰী

অতিতৰ কিৰীতি বখানিছে

স্বৰ্গদেউৰ লখিমী পথাৰ

তেজ ঢালি কৰো সেউজী ।

জকাইচুকৰ তাপস কোঁৱৰে

নমাব ইয়াত জ্যোতিৰ বন্যা

ইয়াতেই ফুলাব জ্ঞান শতদল

আপোন মাটিক কৰিব ধন্যা

নতুন ৰ'দ কাঁচলিতে বহি

সময়ে সলাব বুৰঞ্জী

Oh lord guide us kindly

সত্যম শিৱম সুন্দৰম